**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

ৰাজ্য চৰকাৰে আয়োজন কৰা এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ অহা ৪৫ খন দেশৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তই আজি একেলগে বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰে। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰৰ নেতৃত্বত অহা দলটোৱে কালি কাজিৰঙাৰ এখন ৰিজৰ্টত নিশা যাপন কৰে। ৰাষ্ট্ৰদূতসকলৰ বাবে ৰিজৰ্টত নিশা সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হয়। এই অনুষ্ঠানত অসমৰ বাৰেৰহনীয়া কলা-সংস্কৃতিৰ প্ৰদৰ্শন কৰা হয়। দলটোৱে আজি পুৱা হাতী ছাফাৰী কৰাৰ পাছত মিহিৰমুখৰ পিলখানাত হাতীক বিভিন্ন খাদ্য খুৱাব।

oooooo

তিনিচুকীয়া জিলাৰ জানমুখত মটক জনগোষ্ঠী লোকসকলে কালিৰেপৰা নৰাছিঙা বিহু নাইবা নৰাছিঙা গৰখীয়া ভোজৰ আয়োজন কৰিছে। কৃষি ভিত্তিক এই উৎসৱ প্ৰধানকৈ গৰখীয়া সমাজখনক কেন্দ্ৰ কৰি পালন কৰা হয়। উজনি অসমৰ মটক জনগোষ্ঠী বসতিপ্ৰধান গাঁওসমূহত এই বিহু পালন কৰা হয় যদিও জানমুখত কেইবা শতিকা ধৰি এই বিহু পালন কৰা হয় আহিছে বুলি অঞ্চলটোৰ জনসাধাৰণে প্ৰকাশ কৰে। এই উপলক্ষে গাঁওখনৰ পথাৰত কালি সন্ধিয়া সকলো পৰিয়ালৰ লোকে চাকি জ্বলাই শৰাই আগবঢ়ায়। গাঁৱৰ পৰিয়ালসমূহে বিভিন্ন খাদ্য-সামগ্ৰীৰে ভোজৰ বাবে ভাৰ অৰ্পণ কৰে। ভাৰ অৰ্পণ কৰি সেৰা আগবঢ়োৱা সকলে নিশা ১২ বজাৰ পৰা আজি পুৱা বেলি ওলোৱা পৰ্যন্ত গৰখীয়া সমাজৰ আগত সেৰা লৈ আশীষ লয়। আজি পুৱাৰে পৰা ভোজৰ বাবে সাজু হৈ সন্ধিয়া তেওঁলোকে লগে ভাগে ভোজ ভাত খায়।

oooooo

বিশিষ্ট চিত্ৰশিল্পী দিলীপ তামুলীক কালি প্ৰণৱ বৰুৱা শিল্পী বঁটা প্ৰদান কৰা হয়। নগাঁৱৰ প্ৰণৱ বৰুৱা কলাক্ষেত্ৰত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত চিত্ৰী শিল্পীগৰাকীক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে গামোচা, প্ৰশস্তি পত্ৰ, স্মাৰক আৰু নগদ ২৫ হাজাৰ টকা। শিল্পী প্ৰণৱ বৰুৱাৰ পৰিয়াল তথা প্ৰণৱ বৰুৱা কলাক্ষেত্ৰ পৰিচালনা সমিতিৰ হৈ শিল্পীগৰাকীক যশস্বী চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাই এই বঁটা প্ৰদান কৰে।

oooooo

এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনত অংশ লোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে আজি অসমলৈ আহিব। শ্ৰীমোডীয়ে আজি ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান **ঝুমইৰ বিনন্দিনী** উপভোগ কৰি সন্ধিয়াৰ ভাগত সন্মিলনৰ এখন প্ৰদৰ্শনী উদ্বোধন কৰিব। কাইলৈ প্ৰধানমন্ত্ৰীয়ে এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলন আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা নিশা এই সন্মিলনৰ অন্তিম পৰ্যায়ৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে খানাপাৰাত উপস্থিত হৈ সাংবাদিকৰ আগত এইদৰে কয়।

**-ভইচ কাষ্ট-**

এই সন্মিলনৰ বাবে মহানগৰীৰ সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। এই অনুষ্ঠানৰ সময়ছোৱাত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হ'ব নোৱাৰে তাৰ বাবে পৰ্যাপ্ত সংখ্যক সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে সকলো দিশত নিৰাপত্তাৰক্ষী সকলে চোকা দৃষ্টি ৰাখিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেবিনেট মন্ত্ৰী, বিশিষ্ট উদ্যোগপতি আৰু ৰাষ্ট্ৰদূতসকলৰ ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত অতিৰিক্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰতিনিধিসকলক ৰাষ্ট্ৰীয় ঘাইপথেৰে অনুষ্ঠানস্থলীলৈ অনা হ'ব যাতে গুৱাহাটীৰ ভিতৰত যান-বাহনৰ চলাচল বিশেষভাৱে প্ৰভাৱিত নহয়। অৱশ্যে, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক তথা বিশেষ বাবে সক্ষম ব্যক্তি আৰু জৰুৰীকালীন বাহন আদিৰ চলাচলত সুবিধা হোৱাকৈ মহানগৰ আৰক্ষী জিলা প্ৰশাসনে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। আজিৰেপৰা পৰা পৰহিলৈ পৰ্যন্ত এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্যৰে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আজি ৮ হাজাৰৰো অধিক নাচনী আৰু কলা-কুশলীয়ে **ঝুমইৰ বিনন্দিনী**ৰ অনুষ্ঠান পৰিৱেশন কৰিব। এই অনুষ্ঠান ৰাজ্যৰ ৮০০ খন চাহ বাগিচাত টিভি, এল ই ডি, প্ৰজেক্টৰৰ জৰিয়তে চৰকাৰে প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে কালিৰ **ঝুমইৰ বিনন্দিনী**ৰ অন্তিম আখৰাত উপস্থিত থাকে। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে অসমৰ চাহ শিল্পৰ ২০০ বছৰীয়া চহকী ঐতিহ্য উদ্‌যাপনৰ উদ্দেশ্যে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৩৫০ গৰাকী অতিথিৰ উপস্থিতিত ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ আয়োজন কৰিছে।

000000

গোলাঘাট জিলাৰ বোকাখাতত অহা ২২ মাৰ্চৰ পৰা ২৬ মাৰ্চলৈ বোকাখাত গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কালি বোকাখাত জাতীয় বিদ্যালয়ত গ্ৰন্থমেলাৰ শীৰ্ষ গীত মুকলি কৰি চূড়ান্ত কাৰ্যসূচী সম্পৰ্কে সংবাদমেলত উদ্যোক্তাসকলে অৱগত কৰে। গ্ৰন্থমেলাৰ প্ৰতিটো দিনতে সাহিত্য সন্মিলন, শিল্প চিন্তন, নাট সমাৰোহ, বিজ্ঞানৰ দিন, কুইজ আৰু মইনামেল, সাহিত্যৰ আড্ডা, কবিতা আবৃত্তি আদি অনুষ্ঠিত হ'ব।

000000

আই চি চি চেম্পিয়নছ ট্ৰফীত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হোৱা খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে। বিৰাট কোহলীয়ে উল্লেখযোগ্য শতক অৰ্জন কৰি পাকিস্তানৰ বলিং আক্ৰমণ প্ৰতিহত কৰে। প্ৰথমে বেটিং কৰিবলৈ লৈ পাকিস্তানে দুটা বল বাকী থকা অৱস্থাত ২৪১ ৰাণ সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ কুলদ্বীপ যাদৱে ৩টা, হাৰ্ডিক পাণ্ডিয়াই ২টা, হৰ্ষিত ৰাণা, অক্ষৰ পেটেল আৰু ৰবিন্দ্ৰ জাডেজাই এটাকৈ উইকেট দখল কৰে। বিৰাট কোহলীৰ অপৰাজিত শতক, শ্ৰেয়াছ আয়াৰৰ ৫৬ ৰাণ আৰু শুভমন গিলৰ ৪৬ ৰাণৰে সহজে জয়ৰ লক্ষ্য অতিক্ৰম কৰে।

000000

সমাপ্ত